**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 30-09-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দুৰ্গা পূজা উপলক্ষে ভাৰত আৰু বিদেশত বসবাস কৰা ভাৰতীয় লোকসকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ৰাষ্ট্ৰ নিৰ্মাণত আগবঢ়োৱা অৱদানৰ বাবে সেনা বাহিনীৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলক সম্বৰ্ধনা জনায়।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ জয়শংকৰে ভাৰত আৰু কানাডাৰ মাজত সম্পৰ্ক পুনৰ স্থাপনৰ পৰক্ষেপ হিচাপে কালি নিউয়ৰ্কত কানাডাৰ বৈদেশিক মন্ত্ৰীক সাক্ষাৎ কৰে।

৪। কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলে গংগাৰ সংৰক্ষণ কেৱল পৰিৱেশৰ সংৰক্ষণেই নহয় বৰং ই ভাৰতৰ সাংস্কৃতিক ঐতিহ্য, বিশ্বাস আৰু লাখ লাখ মানুহৰ জীৱন ৰেখাৰ সৈতে জড়িত বুলি প্ৰকাশ কৰে। ***আৰু***

৫। গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত আজি আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেটৰ উদ্বোধনী খেলখন ভাৰত আৰু শ্ৰীলংকাৰ মাজত অনুষ্ঠিত হ’ব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দুৰ্গা পূজা উপলক্ষে ভাৰত আৰু বিদেশত বসবাস কৰা লোকসকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাযোগে শ্ৰীমতী মুৰ্মুৱে কয়, যে দুৰ্গা পূজা সংস্কৃতি, বিকাশ আৰু আধ্যাত্মিকতাৰ প্ৰতীক। তেওঁ কয়, যে দুৰ্গাৰ ৯টা ৰূপে সত্য, ন্যায় আৰু মমতাৰে আগবাঢ়ি যাবলৈ আমাক সাহস দিয়ে। এই উৎসৱে সমতা, সহনশীলতা আৰু প্ৰেমৰ মনোভাৱক প্ৰসাৰিত কৰে। ৰাষ্ট্ৰপতিয়ে নাৰীৰ প্ৰতি সন্মান সুনিশ্চিত কৰাৰ লগতে তেওঁলোকৰ স্থান অক্ষুণ্ণ ৰখাৰ বাবে সকলো প্ৰয়াস কৰাৰ প্ৰতিশ্ৰুতি ল’বলৈ নাগৰিকসকলক আহ্বান জনায়। তেওঁ লগতে সকলোকে প্ৰজ্ঞা আৰু সাহস প্ৰদান কৰিবলৈ আৰু সুখ-সমৃদ্ধিৰ আশীৰ্বাদ দিবলৈ মা দুৰ্গাক প্ৰাৰ্থনা কৰে।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অৱসৰ গ্ৰহণৰ পাছতো ৰাষ্ট্ৰ নিৰ্মাণত আগবঢ়োৱা অৱদানৰ বাবে সেনা বাহিনীৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলক সম্বৰ্ধনা জনায়। নতুন দিল্লীত কালি **বিকশিত ভাৰত আৰু প্ৰাক্তন সৈনিকৰ কল্যাণ** শীৰ্ষক প্ৰথমখন ৰাষ্ট্ৰীয় সন্মিলনত ভাষণ দি শ্ৰীসিঙে কয়, যে প্ৰাক্তন সৈনিকসকলে কেৱল সীমান্তৰ সুৰক্ষা কৰাই নহয়, ৰাষ্ট্ৰৰ সেৱাৰ মনোভাৱৰ জৰিয়তে পৰৱৰ্তী প্ৰজন্মৰ বাবেও এক প্ৰেৰণা। চীফ অফ ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহান আৰু চীফ অফ আৰ্মী ষ্টাফ জেনেৰেল উপেন্দ্ৰ দ্বিৱেদীও এই অনুষ্ঠানত উপস্থিত আছিল।

দুদিনীয়া এই ৰাষ্ট্ৰীয় সন্মিলন প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ অধীনত প্ৰাক্তন সৈনিক কল্যাণ বিভাগে অনুষ্ঠিত কৰিছে। এই সন্মিলনৰ লক্ষ্য হৈছে দেশৰ প্ৰৱীণ সৈনিকসকলৰ কল্যাণ আৰু তেওঁলোকৰ সৈতে পুনৰ

একত্রিকৰণ কৰাৰ বাবে দেশজুৰি চলি থকা প্ৰচেষ্টা শক্তিশালী কৰা। অনুষ্ঠানত সমগ্ৰ দেশৰ সৈনিক পৰিষদৰসমূহৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে ভাৰত আৰু কানাডাৰ মাজত সম্পৰ্ক পুনৰ স্থাপনৰ পৰক্ষেপ হিচাপে কালি নিউয়ৰ্কত কানাডাৰ বৈদেশিক মন্ত্ৰী অনিতা আনন্দক সাক্ষাৎ কৰে। মন্ত্ৰী ড০ জয়শংকৰে শেহতীয়াকৈ নিযুক্তি দিয়া উচ্চায়ুক্তৰ প্ৰতি শুভেচ্ছা জনাই কয়, যে এয়া এক আদৰণীয় পদক্ষেপ। ড০ জয়শংকৰৰ এই সাক্ষাৎ আছিল ৮০ সংখ্যক ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ উচ্চ পৰ্যায়ৰ বৈঠকসমূহৰে অংশবিশেষ। এই বৈঠকৰ সুযোগতে মন্ত্ৰী ড০ জয়শংকৰে দ্বিপাক্ষিক আৰু বহুপাক্ষিক কেইবাখনো বৈঠকত সক্ৰিয় অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত মন্ত্ৰী জয়শংকৰে কেইবাগৰাকীও উচ্চ পৰ্যায়ৰ বিষয়াৰ সৈতে বাৰ্তালাপ কৰাৰ লগতে ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টিনিঅ’ গুটাৰেচ আৰু ছৌদি আৰবৰ বৈদেশিক মন্ত্ৰী ৰাজকুমাৰ ফেজল বিন ফাৰহানৰ সৈতেও আলোচনাত মিলিত হয়। বৈদেশিক মন্ত্ৰীগৰাকীয়ে AT THE HEART OF DEVELOPMENT- AID, TRADE & TECHNOLOGY শীৰ্ষক এখন আলোচনা চক্ৰতো ভাগ লয়। পৰিৱৰ্তিত বিশ্বৰ প্ৰত্যাহ্বানসমূহৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰী ড০ জয়শংকৰে কয়, যে প্ৰযুক্তি, বহু-মেৰুকৰণ, আত্মনিৰ্ভৰশীলতা, দক্ষিণ-দক্ষিণৰ সহযোগিতা আদিসমূহ একেটা বিষয়ৰে অংশ, যিয়ে প্ৰত্যহ্বানসমূহৰ সৈতে মোকাবিলা কৰিব পাৰে।

উল্লেখযোগ্য যে নিউয়ৰ্কত অনুষ্ঠিত ৮০ সংখ্যক ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত অংশগ্ৰহণ কৰি বৈদেশিক মন্ত্ৰীগৰাকীয়ে বৃহত্তৰ স্বাৰ্থ ৰক্ষাৰ খাতিৰত ভাৰতে সদায় দায়বদ্ধতাৰে কাম কৰি যাব বুলি প্ৰকাশ কৰে।

ooooo

কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলে গুৰুত্ব আৰোপ কৰি কয়, যে গংগাৰ সংৰক্ষণ কেৱল পৰিৱেশৰ সংৰক্ষণেই নহয় বৰং ই ভাৰতৰ সাংস্কৃতিক ঐতিহ্য, বিশ্বাস আৰু লাখ লাখ মানুহৰ জীৱন ৰেখাৰ সৈতে জড়িত। নতুন দিল্লীত কালি গংগা সজীৱকৰণ সম্পৰ্কীয় সৰলীকৰণ টাস্ক ফৰ্চৰ ষষ্ঠদশ বৈঠকত অধ্যক্ষতা কৰি শ্ৰীপাটিলে এইদৰে কয়। এই ক্ষেত্ৰত লাভ কৰা সাফল্যত সন্তুষ্টি প্ৰকাশ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে টাস্ক ফৰ্চে বিগত এটা বছৰত গ্ৰহণ কৰা কাৰ্যসূচীয়ে ৮০ শতাংশ সমস্যা সফলভাৱে সমাধান কৰে বুলি উল্লেখ কৰে। তেওঁ কয়, যে এই কাৰ্যৱলীসমূহে গংগা সজীৱতাৰ বাবে শক্তিশালী ভেটি স্থাপন কৰাৰ লগতে গংগা আৰু ইয়াৰ উপনৈসমূহৰ বাবে এটা সামগ্ৰিক পৰিকাঠামো সৃষ্টি কৰিছে। উত্তৰ প্ৰদেশ আৰু বিহাৰৰ জলাশয়ৰ পৰিস্থিতিৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে বুলি প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে ইয়াত ২৮২ আৰু ৩৮৭টা জলশয়ৰ মূল্যায়ন কৰা হৈছে আৰু ইয়াৰ ভিতৰত উত্তৰ প্ৰদেশৰ ৪০টা আৰু বিহাৰৰ ১৯টাক উচ্চ অগ্ৰাধিকাৰ হিচাপে চিনাক্ত কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে অধিসূচনা জাৰি কৰি এই ৫৯টা জলাশয়ক আইনী সুৰক্ষা প্ৰদান কৰিবলৈ দুয়োখন ৰাজ্যকে আহ্বান জনায়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে গংগা অৱবাহিকাৰ সকলো ৰাজ্যকে কেন্দ্ৰীয় জল আয়োগৰ সকলো নিৰ্দেশনা কাৰ্যকৰী কৰিবলৈ আহ্বান জনায় কয়, যে স্পৰ্শকাতৰ অঞ্চলসমূহৰ কাৰ্যকলাপ নিয়ন্ত্ৰণৰ বাবে এনে নিৰ্দেশনা অতি জৰুৰী। এই বৈঠকত অংশগ্ৰহণকাৰী ৰাজ্যসমূহৰ জ্যেষ্ঠ বিষয়াসকলৰ লগতে বিভিন্ন মন্ত্ৰালয়ৰ মুখ্য অংশীদাৰসকল উপস্থিত থাকে।

ooooo

বৈদেশিক সচিব বিক্রম মিশ্রীয়ে নতুন দিল্লীত কালি ভূটানৰ বৈদেশিক সচিব ওম পেমা ছ্ডেনৰ সৈতে বৈঠকত মিলিত হয়। বৈদেশিক মন্ত্ৰালয়ে এটা বিবৃতিযোগে জনাই যে দুয়োপক্ষই দ্বিপাক্ষিক যোগাযোগ আৰু সহযোগিতাৰ ক্ষেত্ৰখনত লাভ কৰা অগ্ৰগতিৰ বিষয়ে পৰ্যালোচনা কৰে। এই ভ্ৰমণৰ সময়ছোৱাত ভাৰত আৰু ভূটানৰ মাজত ৰে'ল সংযোগ স্থাপনৰ বাবে এখন আন্তঃচৰকাৰী বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। এই চুক্তিখনত কোকৰাঝাৰ আৰু গেলেফু তথা বানাৰহাট আৰু ছামছেৰ সংযোগ সীমা অতিক্ৰম কৰি ৰে'ল সংযোগ স্থাপনৰ বিষয়ে পৰিকল্পনা কৰা হয়। এই আঁচনি হৈছে দুয়োখন দেশৰ মাজত সংযোগ বৃদ্ধিৰ বাবে কৰাৰ প্ৰচেষ্টাৰ অংশ। দুয়োগৰাকী নেতাই ভাৰত-ভূটান অংশীদাৰিত্ব বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত বৃহৎ মাইলৰ খুঁটি হিচাপে পৰিগণিত হোৱা এহেজাৰ ২০ মেগাৱাট সম্পন্ন পুনতছাংছু জলবিদ্যুৎ প্ৰকল্পৰ ৬টা ইউনিটৰ সফল কাৰ্যৱলীক প্ৰশংসা কৰে।

ooooo

হাঙ্গেৰীত কালি অনুষ্ঠিত **বিকশিত ভাৰত দৌৰ** কাৰ্যসূচীত স্বেচ্ছাসেৱক, জনগোষ্ঠীয় সংগঠনসমূহকে ধৰি এশতকৈও অধিক দৌৰবিদে অংশ লয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে বিগত সময়ত আন্তঃগাঁথনি, স্বাস্থ্য, প্ৰযুক্তি আৰু শিক্ষা খণ্ডত লাভ কৰা উল্লেখনীয় অগ্ৰগতি আৰু বহনক্ষম উন্নয়নৰ ধাৰাক প্ৰতিফলিত কৰাৰ উদ্দেশ্যে এই দৌৰ কাৰ্যসূচী অনুষ্ঠিত হয়। বুডাপেষ্টত থকা ভাৰতীয় দূতাবাসে **মাই ভাৰত** কাৰ্যসূচীৰ অধীনত হাঙ্গেৰীৰ ক্ৰীড়া বিজ্ঞান বিশ্ববিদ্যালয়ৰ সহযোগত এই দৌৰ কাৰ্যসূচী ৰূপায়ণ কৰে। ভাৰতীয় দূতাবাসে জনোৱ মতে এই কাৰ্যসূচীৰ জৰিয়তে ভাৰতে সেৱা, সুস্বাস্থ্য আৰু বহনক্ষম উন্নয়নৰ দিশত লাভ কৰা উল্লেখযোগ্য সফলতাৰ অংশ হিচাপে বিশ্বৰ ১৫০ খন আন্তঃৰাষ্ট্ৰীয় স্থানত ইয়াক উদযাপন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিকশিত ভাৰতৰ লক্ষ্যক সফল কৰি তুলিবলৈ যোৱা ১৭ ছেপ্তেম্বৰৰ পৰা অহা ২ অক্টোবৰলৈ আয়োজন কৰা সেৱা পৰ্বৰ অংশ হিচাপে বুডাপেষ্টত থকা ভাৰতীয় সম্প্ৰদায়ে এই দৌৰ কাৰ্যসূচী অনুষ্ঠিত কৰে। এই কাৰ্যসূচীৰ জৰিয়তে অংশগ্ৰহণকাৰীসকলে ২০৪৭ চনত ভাৰতক বিশ্বৰ উন্নত দেশসমূহৰ এখন ৰূপে গঢ়ি তোলাৰ ক্ষেত্ৰত বৰঙণি আগবঢ়াবলৈ প্ৰতিশ্ৰুতিবদ্ধ হয়।

ooooo

পৰৱৰ্তী প্ৰজন্মৰ জি এছ্ টি সংস্কাৰে ভাৰতৰ পৰোক্ষ কৰ ব্যৱস্থা সৰলীকৰণৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। যোৱা ২২ ছেপ্তেম্বৰত এই নতুন ব্যৱস্থা ৰূপায়ণ কৰা হৈছে আৰু জনসাধাৰণে বৰ্তমান জি এছ্ টি সংস্কাৰৰ সুবিধা লাভ কৰিবলৈ সমৰ্থ হৈছে। এই নতুন ব্যৱস্থাৰ অধীনত জি এছ্ টি পৰিষদে পূৰ্বৰ ৫ শতাংশ, ১২ শতাংশ, ১৮ শতাংশ আৰু ২৮ শতাংশ জি এছ্ টিৰ সৰলীকৰণ কৰি ইয়াক বৰ্তমান ৫ আৰু ১৮ শতাংশ কৰিছে। সামগ্ৰী আৰু সেৱাৰ বিস্তৃত ক্ষেত্ৰত কৰৰ বোজা হ্ৰাস কৰাৰ জৰিয়তে জনসাধাৰণক যথেষ্ট সকাহ প্ৰদান কৰা হৈছে।

পৰৱৰ্তী প্ৰজন্মৰ জি এছ্ টি সংস্কাৰৰ জৰিয়তে চৰকাৰে পুতলা আৰু ক্ৰীড়া সামগ্ৰীৰ ক্ষেত্ৰত কৰৰ হাৰ পূৰ্বৰ ১২ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰিছে। ইয়াৰ জৰিয়তে থলুৱা পুতলা প্ৰস্তুত কৰা উদ্যোগসমূহে যথেষ্ট সকাহ লাভ কৰিব। জি এছ্ টি হাৰ হ্ৰাসে শিশুসকলক মনোৰঞ্জনমূলক ক্ৰিয়াকলাপৰ প্ৰতি উৎসাহিত কৰিব আৰু ইয়াৰ জৰিয়তে তৃণমূল পৰ্যায়ত থকা ক্ৰীড়া প্ৰতিভাসমূহ বিকশিত কৰিব। ইয়াৰ উপৰি জি এছ্ টি হ্ৰাসৰ সুবাদত ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগীসকলে পুতলা আৰু ক্ৰীড়া সামগ্ৰী প্ৰস্তুতৰ ক্ষেত্ৰত আগ্ৰহী হ'ব আৰু থলুৱা তথা আন্তঃৰাষ্ট্ৰীয় বজাৰত প্ৰতিযোগিতা কৰিব পাৰিব।

ooooo

গুৱাহাটীৰ বৰ্ষাপাৰাত থকা অসম ক্ৰিকেট এচ'ছিয়েছনৰ ষ্টেডিয়ামত আজি আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেটৰ উদ্বোধনী খেলখন অনুষ্ঠিত হ'ব। উদ্বোধনী খেলখনত ভাৰতৰ মহিলা ক্ৰিকেট দলটো শ্ৰীলংকাৰ মুখামুখি হ'ব। খেলখন বিয়লি ৩ বজাৰ পৰা আৰম্ভ হ'ব। উল্লেখযোগ্য যে ভাৰতীয় মহিলা দলটোৱে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদৰ খিতাপ লাভৰ বাবে ৪৭ বছৰীয়া অপেক্ষৰ অন্ত পেলাবলৈ চেষ্টা কৰিব।

মহিলা বিশ্বকাপ ২০২৫, ৫০ অভাৰৰ ক্ৰিকেট টুৰ্ণামেণ্টৰ ত্ৰয়োদশ সংস্কৰণ আৰু ইয়াত অষ্ট্ৰেলিয়া, ইংলেণ্ড, ভাৰত, নিউজিলেণ্ড, দক্ষিণ আফ্ৰিকা, শ্ৰীলংকা, বাংলাদেশ আৰু পাকিস্তানে অংশগ্ৰহণ কৰিছে। এই দলসমূহে ভাৰতৰ চাৰিটা আৰু কলম্বোৰ এটা স্থানত ৰাউণ্ড ৰবীন পৰ্যায়ত ২৮ খন লীগ মেচত অংশগ্ৰহণ কৰিব। ভাৰত আৰু পাকিস্তানৰ মাজৰ বহু প্ৰত্যাশিত খেলখন অহা ৫ অক্টোবৰত কলম্বোত অনুষ্ঠিত হ'ব।

আজি উদ্বোধনী অনুষ্ঠানৰ ৪০ মিনিট সময় সদ্য প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ সন্মানাৰ্থে উৎসৰ্গিত হ'ব বুলি বি চি চি আইয়ে সদৰি কৰিছে। ইপিনে গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া খেলখনৰ বাবে আজি যান-বাহন চলাচলৰ ক্ষেত্ৰত গুৱাহাটী মহানগৰীৰ যান-বাহন শাখাই বিশেষ নীতি-নিৰ্দেশনা জাৰি কৰিছে।

০০০০০

সমাপ্ত